নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

বৃহস্পতিবাৰ ২৯ চ'ত ১৯৪৪ শক ১৩ এপ্ৰিল ২০২৩ চন ASOMIYA KHABAR GUWAHATI TH

## ৱেষ্ট গুৱাহাটী কলেজ অৱ এডুকেচনৰ অভিমুখীকৰণ কাৰ্যসূচী

আমাৰ খবৰ, আজাৰা, ১২ এপ্ৰিল ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিকলাংগতা বিভাগ আৰু ৱেষ্ট গুৱাহাটী কলেজ অৱ এডুকেচনৰ যৌথ উদ্যোগত দুদিনীয়াকৈ 'অক্ষম ব্যক্তিসকলৰ সমস্যা আৰু পাৰস্পৰিক দক্ষতা'ৰ ওপৰত অভিমুখীকৰণ কাৰ্যসূচী ১০ আৰু ১১ এপ্ৰিলত দুদিনীয়া কাৰ্যসূচীয়ে বিশ্ববিদ্যালয়ৰ ফণীধৰ দত্ত সভাগৃহত অনুষ্ঠিত হৈ যায়। 'আশাদীপ'ৰ প্ৰতিষ্ঠাপিকা সম্পাদিকা ড° অঞ্জলি গোস্বামীয়ে বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ প্ৰয়োজনীয়তা, তেওঁলোকৰ সমস্যাসমূহ আৰু মাজেদি দুদি লৈ প্ৰশিক্ষাৰ্থীসকলক তেনে ব্যক্তিসকলৰ প্ৰতি থকা দায়িত্ববোধসমূহ কেনেকৈ পালন কৰিব পাৰি তাৰ বিষয়ে বিশদভাৱে আলোচনা আগবঢ়ায়। কাৰ্যসূচীৰ প্ৰথম দিনা সম্বল ব্যক্তি হিচাপে উপস্থিত থাকি ড° মিৰ্জু ভট্টাচাৰ্য আৰু ড° শ্যামসুন্দৰ শৰ্মাই অক্ষম ব্যক্তিসকলক কেনেদৰে চিনাক্ত কৰিব পৰা যায় আৰু তেওঁলোকৰ লগত কেনেদৰে ভাৱৰ আদান-প্ৰদান কৰিব পৰা যায় তাৰ ওপৰত আলোকপাত কৰে। দ্বিতীয় দিনৰ কাৰ্যসূচীত অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলে অক্ষম ব্যক্তিসকলৰ বিশেষত কথা ক'ব নোৱাৰা ব্যক্তিসকলৰ লগত যোগাযোগ কৰিবলৈ দৰ্শকে কেনেদৰে চিহ্ন ভাষা (Sign Language) ব্যৱহাৰ কৰিব পাৰি তাৰ ওপৰত প্ৰশিক্ষণ লয়। প্ৰশিক্ষণ প্ৰদান কৰে কলা-বোবাৰ অল ইণ্ডিয়া ফেডাৰেচনৰ সম্পাদক তপন কুমাৰ আৰু নৰ্থ-ইষ্ট কলেজ অৱ হিয়াৰিং ইমপেয়াৰ্ডৰ চিহ্ন ভাষাৰে দোভাষী প্ৰিয়ংকা নেওৰে। অভিমুখীকৰণ কাৰ্যসূচীৰ শেষত বিভাগৰ মুখ্য অধ্যাপিকা ড° কাবেৰী সাহাই প্ৰশিক্ষাৰ্থীৰ মাজত প্ৰশংসা পত্ৰসমূহ বিতৰণ কৰে।

# The Assam Tribun

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & DIBRUGARH

GUWAHATI, FRIDAY, APRIL 14, 2023

## Lecture held

GUWAHATI, April 13: The West Guwahati College of Education, Pandu organised a lecture on 'Understanding gender beyond binary and inclusion' in the college auditorium recently. Rituparna Neog, queer rights activist and director of Akam Foundation was present as the resource person.

Rituparna emphasised on the creation of gender neutral environments in the schools such as providing choice-based uniforms and gender neutral toilets, etc. Rituparna also shared several stories of the LGBTQ community during the speech. – Staff Reporter

Two-Day Orientation Programme on 'Issues & Interpersonal Skills of Persons with Disability' on 10th April & 11th April, 2023.